
# জ্যোতিপ্ৰসাদৰ কবিতাৰ অন্তঃপ্ৰৱাহ প্ৰসংগত

**অনিৰ্বাণ দত্ত**



অসমীয়া জাতীয় জীৱনৰ অন্যতম পুৰোধা, ৰূপান্তৰৰ খনিকৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ ঠিক পাছতেই মৰ্যাদাপূৰ্ণ স্থান দিয়া হয়। যদিও জীৱনকাল নিচেই চমু আছিল তথাপি তেওঁৰ বিপুল শিল্প-সাহিত্যৰ অৱদান আৰু নিস্বাৰ্থ জনসেৱামূলক আদৰ্শকৰ্মই জাতিটোক নতুন প্ৰাণ দিছিল। তেওঁ আছিল এগৰাকী সত্য আৰু সুন্দৰৰ আজীৱন আৰাধক জীৱন-শিল্পী আৰু কবি। তেওঁ সাহিত্য, সংগীত আৰু অন্যান্য শিল্পকৰ্মেৰে সৰ্বসাধাৰণ জনতাৰে গঢ়িছিল নিবিড় সম্পৰ্ক। তেওঁ নিজে কৈছিল, যি শিল্প-সাহিত্য বা সুকুমাৰ কলা এমুঠি অভিজাত শ্ৰেণী আৰু ভাগ্যবান লোকৰ বিলাস-বিনোদৰ সামগ্ৰী ৰূপে ব্যৱহৃত হয়, সেই সাহিত্য বা কলাৰ কোনো সাৰ্থকতা নাই। ড° সত্যেন্দ্ৰনাথ শৰ্মাই জ্যোতিপ্ৰসাদ মূলতঃ এগৰাকী কবি-শিল্পী আছিল বুলি উল্লেখ কৰি কৈছে যে, "তেওঁৰ কাব্য বা কবিতা সংখ্যাৰ ফালৰ পৰা যে বহুত এনে কথা ক'ব নোৱাৰি; তেওঁতকৈ সৰহ কবিতা লিখা ভালেকেইজন অসমীয়া কবি ওলাব কিন্তু বহুমুখী কৰ্মব্যস্ত, নাতিদীৰ্ঘ জীৱনকালৰ ভিতৰত যিখিনি হীৰকখণ্ডবৎ কবিতা ৰচনা কৰি গৈছে সেইখিনিয়ে জ্যোতিপ্ৰসাদক অসমীয়া কাব্যসাহিত্যৰ বুৰঞ্জীত আগশাৰীৰ স্থায়ী আসন দিব।" ড° হীৰেন গোহাঁইৰ মতে জ্যোতিপ্ৰসাদ ৰচিত গীতসমূহৰ এটা ক্ষুদ্ৰ অংশতহে সুৰাৰোপ কৰা আছে; সুৰ সংযোজন অবিহনে জ্যোতিপ্ৰসাদৰ গীতবোৰ অৰ্দ্ধস্ফুট, সেয়ে তেওঁৰ গীতবোৰক কবিতা হিচাপেও চাব পাৰি। ড° গোহাঁইৰ মতে জ্যোতিপ্ৰসাদৰ কবি-মানস আৰু কবি-প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন তেওঁৰ কবিতাবোৰতকৈও গীতবোৰেহে স্পষ্টকৈ দাঙি ধৰিব পাৰিছে। বক্তৃতাধৰ্মী, গধুৰ ছন্দৰ কবিতাবোৰৰ তুলনাত গীতবোৰ ঢেৰ বেছি বাঙ্ময় অথচ মিতবাক। অৱশ্যে, শেষৰ কালত অনিয়মিত গদ্যছন্দৰে সহজ-সৰল ঘৰুৱা শব্দচয়নেৰে ৰচিত, পৰিমিত অলংকাৰৰ কবিতাবোৰে এক স্বচ্ছন্দ জীৱন পাইছে বুলি ড° গোহাঁয়ে উল্লেখ

কৰিছে। সি যি নহওক, জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ অন্তঃপ্ৰৱাহত নিৰন্তৰ কোনবোৰ ভাবাদৰ্শ বৈ আছে, এই লেখাৰ মাধ্যমেৰে তাকে ভুমুকিয়াই চাবলৈ যত্ন কৰা হৈছে।

শিল্পী জ্যোতিপ্ৰসাদ আছিল পৰিৱৰ্তনৰ প্ৰবক্তা। পৰিৱৰ্তন সাধিবলৈ তেওঁ সকলো মানুহৰ মনতে লুকাই থকা শিল্পীসত্তাৰ অভ্যুত্থান হোৱাটো বিচাৰিছিল। “মই জনতাৰ প্ৰাণে প্ৰাণে শিল্পী দেখিলোঁ, সেই গুণেহে গানেৰে মাতিলোঁ” বুলি তেওঁ জনতাৰ কাষ চাপিছে। তেওঁৰ বিশ্বাস— প্ৰতিজন মানুহৰ মাজতেই আছে এটি ঈশ্বৰপ্ৰদত্ত শিল্পীপ্ৰাণ। এই শিল্পীপ্ৰাণেহে সমাজলৈ আশাব্যঞ্জক ৰূপান্তৰ আনিব পাৰে। শিল্পীপ্ৰাণেহে প্ৰকৃত সত্য শিৱ সুন্দৰ চিনাক্ত কৰিব পাৰে। শিল্পসাধনাৰে শিল্পীপ্ৰাণক উজ্জীৱিত কৰিবলৈ মনত লিপিট খাই লাগি থকা আওপুৰণি ধূলিমাকতি পৰিষ্কাৰ কৰি ল’ব লাগিব। তেওঁ নিজে নিজৰ শিল্পীপ্ৰাণক জগাই তুলিছিল আৰু সমাজ ৰূপান্তৰৰ বাবে অহৰ্নিশে কলাৰ সাধনা কৰিছিল। মেটমৰা সাহিত্য সৃষ্টি আৰু নিৰ্বাচিত সুন্দৰ কৰ্মবোৰেই তাৰ যথোপযুক্ত আৰ্হি। সত্য সুন্দৰৰ অপৰাজেয় শক্তি তেওঁ চিনি পাইছিল। জগতৰ কঠিন দুখ-শোক-যাতনাৰ মাজতো সুন্দৰৰ অস্তিত্ব উপলব্ধি কৰিছিল— তেওঁৰ কল্পনাৰ সুন্দৰ কোঁৱৰে সাৰ্বজনীন সুখ-সমৃদ্ধি আৰু চিৰন্তন শান্তিৰ মন্ত্ৰ লৈ সকলো মানুহৰ আত্মাতে বহি থকা তেওঁ দেখিছিল। সাহিত্য, শিল্প, সংগীত-চৰ্চাৰ ৰূপত অনিন্দ্য সুন্দৰ কোঁৱৰক সাধনা কৰিবলৈ তেওঁ জগতৰ জনতাক বাৰে বাৰে আহ্বান জনাইছে। যথা—

“আজি শিল্পীৰূপেৰে জাগিব লাগিব জগত জনতা
আজি কবিটি হৈ
ৰবিটি হৈ জ্বলিব লাগিব বিশ্বজনতা।
আজি সকলো দীনতা
সকলো নীচতা
সকলো শঠতা, সকলো ভীৰুতা
বৰ্ব্বৰতা
চিৰকাললৈ
আঁতৰাই থৈ
ফুলাব লাগিব
নিৰ্ম্মলতা
সুন্দৰতা
জ্বলন্ত সততাৰে, পবিত্ৰ ক্ষমতা জ্বলাই
মষিমূৰ কৰি যাউতিযুগীয়াৰ
শক্তিহীনতা
জনজীৱনত উঠক জ্বলি বিশ্বপ্ৰাণতা।
দুষ্কৃতি নাশি
সংস্কৃতিৰে পৃথিৱী মুক্ত কৰি
শিল্পীৰূপেৰে ওলা জনতা
সুন্দৰৰেই বিৰাটস্বৰূপ ধৰি।”

গাঁৱৰ মানুহৰ ওপৰত আছিল তেওঁৰ গভীৰ আস্থা— "গাঁৱৰে জুপুৰি ইকৰাৰে সজা, তাতে থাকে ভৱিষ্যতৰ আধাপেটী ৰজা" বুলি তেওঁ গাঁৱলীয়া দৰিদ্ৰ মানুহৰ শক্তিক সন্মান যাঁচিছিল। 'ষ্ট্ৰীম্ লাইনড় কাৰ' নামৰ কবিতাটোত তেওঁ চহৰৰ কোনোবা ধনী মৌজাদাৰ দেউতাৰ বিলাসী গাড়ীখনৰ লগত কাহানিও গাড়ী নেদেখা গাঁৱৰ দৰিদ্ৰ আৰু হোজা মানুহবোৰৰ সৰল আৱেগ-অনুভৱৰ তুলনা কৰি তদানীন্তন সমাজখনৰ খণ্ড চিত্ৰ এখন অংকন কৰিছে। তাত ধনীৰ অহংকাৰ, সুবিধাবাদী চৰিত্ৰ, দৰিদ্ৰতাক কৰা উপহাস, সস্তীয়া প্ৰলোভন আদিৰ বিপৰীতে দৰিদ্ৰ গাঁৱলীয়া মানুহবোৰৰ সৰলতা আৰু স্বাভিমান প্ৰকট হৈছে। অমানৱীয় ব্যৱহাৰক নীৰৱ প্ৰতিবাদ কৰি আঁতৰি গুচি যোৱা সৰল মানুহবোৰৰ মাজত কবিয়ে সমাজ পৰিৱৰ্তন কৰিব পৰা অমোঘ শক্তিক বিচাৰি পাইছে। অন্ধবিশ্বাস, অৰ্থহীন পৰম্পৰা, কৰাল দাৰিদ্ৰ্য, এলাণ্ডুকলীয়া ৰীতি-নীতি, মনৰ দুৰ্বলতা আদি অভিশাপৰ পৰা উদ্ধাৰ কৰি শ্ৰমজীৱী মানুহক তেওঁ শক্তিশালী কৰি তুলিব বিচাৰিছিল। শ্ৰমজীৱী মানুহেই কেৱল পৃথিৱীখনক সুন্দৰ কৰি গঢ়িব পাৰিব বুলি তেওঁৰ দৃঢ় বিশ্বাস আছিল। তেওঁলোকৰ কৰ্তৃত্ব প্ৰতিষ্ঠাৰ বাবে তেওঁ হাতেকামে যত্ন কৰিছিল। লুইতপৰীয়া আপোন গাঁওখনৰ পৰাই তেওঁ সকলোবোৰ অপশক্তিক সতৰ্ক কৰি দিছিল। যথা—

"সাৱধান সাৱধান
সুবিধাবাদীৰ দল!
তোৰ মিছা হ'ব কৌশল
ৰাইজৰ তই সেৱা চুৰ কৰি
বঢ়াব খুজিব বল।..." (সাৱধান সাৱধান)

আকৌ লিখিছে—

"...নতুন দিনৰ অসমীয়া
যুগে যুগে হ'বি তই শৰাইঘটীয়া
তোৰ দেশ ৰখিবলে'
গঢ়ি গঢ়ি ল'বি তই
নতুন হিলৈ
চিৰজয়ী হ'বি তই
মাভৈ মাভৈ।..." (শৰাইঘাট)

জনতাই তোৰ স্বৰূপ চিনিছে, সাৱধান সাৱধান বুলি শাসক, শোষক, সাম্ৰাজ্যবাদী দৈত্য-দানৱ আৰু দেশীয় সুবিধাবাদী ধনীক শ্ৰেণীটোৰ বিৰুদ্ধে জ্যোতিপ্ৰসাদে বজাইছিল বিপ্লৱৰ শংখ নিনাদ। "লুপ্ত হ'ল সৌন্দৰ্যৰ আদিম স্বৰূপ, জ্বলিল পৃথিৱীজুৰি কামগন্ধী ধূপ" বুলি ভোগবাদী সভ্যতাৰ কুৎসিত ৰূপ প্ৰত্যক্ষ কৰি একেসময়তে তেওঁ চিৎকাৰ কৰিও উঠিছিল। সৰ্বসাধাৰণ ৰাইজৰ বাবে বিশুদ্ধ সংস্কৃতি, শান্তি, সমতা আৰু স্বাধীনতা ৰক্ষা কৰিবলৈ সেয়ে তেওঁ সংগ্ৰাম কৰিছিল। যথা—

"...ৰোধ কৰিবলে' যত
আন্ধাৰৰ দৈত্য-দানৱ
জ্যোতি-মন্ত্ৰে

বিপ্লৱৰ শঙ্খ বজাওঁ।
ব্যক্তি-স্বাৰ্থ জীৱনৰ লোহাৰ দুৱাৰ ভাঙি
সমূহীয়া স্বাৰ্থৰ মহান জীৱনলে’ মই ব্যাপী যাওঁ
তেতিয়াহে ব্যক্তিত্বৰ সত্যমূল্য স্বাধীনতা পাওঁ,
ব্যক্তিত্বৰ পূৰ্ণ প্ৰকাশ
ব্যক্তিত্বৰ মহান বিকাশ
জনতাৰ ৰাইজৰ অন্তৰত পাওঁ।
মই শিল্পী পোহৰলে’ যাওঁ–...”((শিল্পীৰ আলোক যাত্ৰা)

তেওঁ আকৌ লিখিছে—

“...বৃত্ৰাসুৰীয়া সভ্যতাৰ
নিষ্ঠুৰ আঘাতত
মূৰ্চ্ছা গৈ পৰি থকা
হৃদয়ৰ দেৱতাই
ইন্দ্ৰই–
আজি জন দধীচিৰ অস্থি-বজ্ৰ লৈ
সঞ্জীৱিত হৈ
জিনি জই মহত্বৰ
অসুৰক কৰক নিপাত
দানৱীয় অধিকাৰ কৰি উৎখাট।
নতুন বেলিয়ে আজি
নতুন পোহৰ দি
উজ্বলায় নৱধৰিত্ৰী, ...”(নৱবিপ্লৱী কবি জাগে)

শিল্প, সাহিত্য, সংগীত-চৰ্চা তেওঁৰ বাবে বিলাসিতা নাছিল। অকলে আপোন মনে নিৰলাত বহি সাহিত্যচৰ্চা কৰা তেওঁ পলায়নবাদী কবি-শিল্পীও নাছিল। আদৰ্শবাদী কবি হ’লেও ভাগ্যক ধিয়াই হাত সাবটি বহি থকা তেওঁ কৰ্মবিমুখ কবি নাছিল। তেওঁৰ গীত, নাট, কবিতা, সুৰ, ৰাগ আদি গুৰুকো নলগা, ভকতকো নলগা ৰূপহী মদাৰ স্বৰূপ নাছিল। বঁটা-বাহন টানি আনি ব্যক্তিগত সন্মান, সম্পদ বৃদ্ধিৰ বাবেও তেওঁ শিল্প-চৰ্চা কৰা নাছিল। জাতিৰ মঙ্গল, দেশৰ কল্যাণ আৰু বিশ্বমানৱতাৰ উৎকৰ্ষ সাধনেই আছিল তেওঁৰ শিল্প-সাধনাৰ মহান উদ্দেশ্য। যথা—

“কবি মই
কবিতা বিলাসী মই নহওঁ নহওঁ
মোৰ কবিতা
নবীন দিনৰ
নৱ-জ্যোতি প্ৰণতা
দুঃখিতৰ দুখেৰে উচ্ছ্বসিতা
চিৰ আশাৰে তাই আনন্দিতা।...

চিৰসুন্দৰৰ
হাঁহিত উপজি তাই
থিত ল’লে মোৰ অন্তৰত
সেউজীয়া পৃথিৱীত
সোণৰ পদুমকলি
ফুলাবলৈ নাচে তাই
আজি মোৰ মনৰ বনত।...” (মোৰ কবিতা)

জ্যোতিপ্ৰসাদৰ শিল্পসাধনাৰ লক্ষ্য আছিল মুক্তি লাভ। “মুক্তি তোমাৰ নহয় দূৰত/ জগোৱা তোমাৰ প্ৰাণৰ মাজত সুপ্ত বীণাৰ সুৰ” বুলি তেওঁ জনতাক আত্মবল বৃদ্ধি কৰিবলৈ উদগনি দিছিল। নিজে যিদৰে মুক্তিপ্ৰয়াসী আছিল আৰু আনকো মুক্তি লাভৰ বাবে অভিলাষী হ’বলৈ শিকাইছিল। “কোনে দুখীয়াৰ ভাতমুঠি কাঢ়ি সোণৰ কাঁহীত খাব, কোনে দুখিতৰ চকু টোপালেৰে মুকুতাৰ মালা সিয়” বুলি তেওঁ গুজৰি উঠিছিল। সাম্ৰাজ্যবাদী শক্তি, শোষক শ্ৰেণীৰ দমন-উৎপীড়ন, জাতপাতৰ বিচাৰ, অস্পৃশ্যতা, নাৰীবিদ্বেষ আদি সামাজিক ব্যাধি, অশিক্ষা, আলস্য আদিৰ পৰা সাধাৰণ মানুহক মুক্তি দিবলৈ তেওঁ যুঁজিছিল। যুঁজৰ অস্ত্ৰ আছিল সুন্দৰৰ সাধনা। বিশেষকৈ মানুহে মানসিক দাসত্বৰ পৰা মুক্তি লভাত তেওঁ সৰ্বাধিক গুৰুত্ব দিছিল। প্ৰতিজন মানুহেই নিজৰ হৃদয়-বন্তী জ্বলাই তাৰ পোহৰত বাট বুলিব লাগে বুলি তেওঁ কৈছে। যথা—

“নৱ জনজীৱনৰ অৰুণঅগ্নিস্নাত
নৱবিপ্লৱী কবি জাগে
আলোক আশিস মাগে
আগ্নেয়গিৰি সম–
ভোদাৰি-বিদাৰি-ভাঙি-বিস্ফোৰি পৃথিৱীৰ গৰ্ভ
জাগে বিদ্ৰোহী কবি উদ্‌গৰি অগনিত
অগ্নি স্ফুলিংগ।...” (নৱবিপ্লৱী কবি জাগে)

আকৌ লিখিছে—

“শিল্পী মই
ময়ে শিল্পী
আন্ধাৰৰ সতে যুঁজি পোহৰলৈ যাওঁ,
মানুহৰ জীৱনৰ খোঁটালিয়ে খোঁটালিয়ে
ভিতৰে বাহিৰে মই
ৰঙা নীলা হালধীয়া
সাতো বৰণীয়া
নুনুমুৱা আলোকৰ
চাকি জ্বলাওঁ।...” (শিল্পীৰ আলোক যাত্ৰা)

ভাৰতীয় সভ্যতা-সংস্কৃতিৰ প্ৰতি তেওঁৰ গভীৰ আনুগত্য আছিল। আৰু সেই আনুগত্যৰ প্ৰকাশ স্বৰূপে তেওঁ মহাপুৰুষ শংকৰদেৱৰ সৃষ্ট কৃষ্ণ সংস্কৃতিৰ মাজত নিজক বিলীন কৰি দিছিল। দুষ্কৃতি বিনাশ কৰি সংস্কৃতিৰ ধ্বজা উৰুওৱা কানাইৰ বাঁহীৰ সেই অময়া সুৰ তেওঁ সদায় বুকুত লৈ ফুৰিছিল। সকলো মানুহৰ হৃদয়তে কানাইৰ বাঁহীটো পৰি থকা তেওঁ দেখিছিল, বাঁহীত ফুক দি সুৰ তুলিবলৈ তেওঁ সকলোকে অনুপ্ৰাণিত কৰিছিল। মহাপুৰুষ শংকৰদেৱে আৰ্য আৰু আৰ্যতেৰ সংস্কৃতিৰ সুসমন্বয়ত গঠন কৰা বৃহত্তৰ অসমীয়া জাতিৰ বিচিত্ৰতাক লৈ জ্যোতিপ্ৰসাদ বিমুগ্ধ হৈ পৰিছিল। তেওঁ তেনে এখন সমাজৰ সদস্য হ'বলৈ পাই সৌভাগ্যৱান বুলি অনুভৱ কৰিছিল। সেয়ে, তেওঁ অসমীয়া চিন্তা-চেতনাক মনৰ পৰা এচুলিমানো দূৰলৈ ঠেলি পঠিওৱা নাছিল আৰু জাতিক সমৃদ্ধিশালী কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। আনকি, আমাৰ গাঁৱৰ মান ৰাখি মৰিবলৈকো উদ্যত আছিল জ্যোতিপ্ৰসাদ। আৰ্য সংস্কৃতিৰ গৰিমাক লৈ উৎসাহিত জ্যোতিপ্ৰসাদে অসমৰ আৰ্যতেৰ জনজাতীয় সমাজখনৰ আচাৰ-নীতি, কৃষ্টি-সংস্কৃতিক সমান আদৰেৰেই বুকুত ধাৰণ কৰিছিল। যথা—

"...ওপজা গাঁৱৰ পৰা
নিজৰাৰ পাৰেদি
জান-জুৰি-নৈয়েদি
লুইতৰ ৰূপালী বালিৰে মই
জোনাকত বালি ভাত খাই
সোৱণশিৰীয়া সোণ দিনৌ কমাওঁ।
মাৰ যোৱা বেলিটিৰ জিলিকনি লেখি মই
নতুন পুৱাৰ ছবি চাওঁ
মহাভাৰতৰ বাটে
পৃথিৱীৰ সবাহলে' যাওঁ।..." (শিল্পীৰ আলোক যাত্ৰা)

আকৌ লিখিছে—

"ময়েই খাছিয়া
মই জয়ন্তীয়া
ডফলা আবৰ অকা
ময়ে চিংফৌ
ভৈয়ামৰ মিৰি
সোৱণশিৰীয়া ডেকা,
বিজয়ী আহোম-কছাৰী-কোঁচৰ
মেছৰ কুমাৰ মই
ৰাজবংশী ৰাভা
কপালত জ্বলে শত গৌৰৱ আভা।..." (অসমীয়া ডেকাৰ উক্তি)

তেওঁ আছিল সকলোধৰণৰ সংকীৰ্ণতা আৰু সাম্প্ৰদায়িকতাৰ ঊৰ্ধ্বত। জাত-পাত, ধৰ্ম-কৰ্ম, ক'লা-বগা বৰণ, ধনী-দুখীয়া, পণ্ডিত-অপণ্ডিত কোনো বিভাজনে তেওঁক মোহান্ধ কৰিব পৰা নাছিল। বিশ্ব থাকে মানে বিভাজন থাকিবই। কিন্তু বিভাজনৰ নলাত পৰি লেতেৰা হোৱাতকৈ নলা পৰিষ্কাৰ কৰি তাৰে

নিৰ্মল পানী বোৱাবলৈহে তেওঁ যত্ন কৰিছিল। ইয়াৰ বাবে যতন হিচাপে তেওঁ শিল্প-সাহিত্য আৰু সংগীতক গ্ৰহণ কৰিছিল আৰু সমগ্ৰ মানৱ সমাজকে উদ্বুদ্ধ কৰিবলৈ প্ৰয়াস কৰিছিল। কাৰণ গোটেই বিশ্বসমাজখনকে তেওঁ নিজৰ সমাজ বুলি গণ্য কৰিছিল। সকলোবোৰ মানুহকে বুকুৰ কুটুম বুলি সাবটি লৈছিল। সেয়ে, মানৱতাবাদ আৰু বিশ্বপ্ৰেমেই তেওঁৰ সকলোবোৰ সৃষ্টিকৰ্মৰ মূল ভেটি আছিল বুলি আমি ক'ব পাৰোঁ। যথা—

"...মই, মই, পৃথিৱীৰে জনতাক
মই ৰূপে দেখি
মই হৈও, মই আমি হওঁ।
আমিৰূপী মোতে
জনতাৰ জীৱনৰ নৱতম দ্বন্দ্ব জাগৰিত
মোৰ এই শিল্পী মনত, প্ৰাণত
পৃথিৱীখনেই হয় প্ৰতিফলিত।
... ... ...
মই কিন্তু শিল্পী প্ৰাণে
গাঁৱৰ গণ্ডীতো থাকি
উপজিয়ে হে আহোঁ বিশ্বনাগৰিক।
লভি জন্ম মানুহৰ
দেখি এই বিশ্বমনোহৰ
ভাবোঁ মোৰ ঘৰ
যাকে দেখোঁ তাকে ভাবোঁ আপোনাৰ জন বুলি
কেও নোহে পৰ।..." (শিল্পীৰ আলোক যাত্ৰা)

আকৌ লিখিছে—

"ময়েই হিন্দু
ময়েই মুছলমান
ময়েই ন-জোৱান।
মোৰ ভগৱান মন্দিৰে-মছজিদে
ভগৱান মোৰ নামঘৰে ঘৰে
অন্তৰে বাহিৰে..." (অসমীয়া ডেকাৰ উক্তি)

গভীৰ স্বদেশানুৰাগ আৰু দেশাত্মবোধ জ্যোতিপ্ৰসাদৰ সাহিত্যৰ মুখ্য বৈশিষ্ট্য। অসমীয়া জাতীয় চৈতন্যৰ তীব্ৰ আৱেশে জ্যোতিপ্ৰসাদৰ সকলোবোৰ ৰচনা আৱৰি আছে। কবিতাও তাৰ ব্যতিক্ৰম নহয়। ঐতিহাসিক আৰু মৌখিক একাংশ চৰিত্ৰক ভিত্তি কৰি তেওঁ কেইবাটাও জাতীয়তাবাদী ভাব-সঞ্চাৰক আৰু গভীৰ দেশপ্ৰেমমূলক শক্তিশালী কবিতা লিখিছে। ওজস্বী শব্দ-বিন্যাসেৰে ৰচিত এনে কবিতাবোৰত অসমৰ অতীত গৰিমা আৰু বীৰ-বীৰাংগনাসকলৰ আত্মত্যাগৰ আদৰ্শক ভৱিষ্যত নিৰ্মাণৰ বাবে গভীৰ প্ৰেৰণা হিচাপে দাঙি ধৰা হৈছে। যেনে— লাচিতৰ আহ্বান, জয়মতীৰ আত্মাৰ উক্তি, কনকলতা, চিত্ৰলেখা আদি। তদুপৰি, 'অসমীয়া ডেকাৰ উক্তি', 'অসমীয়া ছোৱালীৰ উক্তি', 'জ্যোতি-শঙ্খ' নামৰ কবিতা

তিনিটা সাম্প্ৰদায়িক সদভাব, পাহাৰ-ভৈয়ামৰ সমন্বয় সাধন কৰা আৰু সম্প্ৰীতিৰ ধ্বজাবাহক উৎকৃষ্ট জাতীয়তাবাদী কবিতা। কেউটা কবিতাতে কম-বেছি পৰিমাণে সমাজ পৰিৱৰ্তনৰ এক বিশ্বজনীন আহ্বানো আছে। যথা—

"...বুৰঞ্জী বিদাৰি তই
মোক চা, নিজকে চা
বান্ধি লৈ সাহ,
যন্ত্ৰযুগৰ নৱ
মন্ত্ৰ ফুকাৰি তই
শংকা পেলাই দি আগবাঢ়ি আহ।..." (লাচিতৰ আহ্বান)

আকৌ——

"...জাগ আজি পৃথিৱীৰ
নিষ্পেষিত ধৰ্ষিত
দলিত স্খলিত যত
হতবীৰ্য নিৰাশ মানৱ।
... ... ...

কালাগ্নি জিনি মই
জ্বলো জয়সাগৰত
শকতি-যজ্ঞ সম
কেতিয়াও নুনুমায় প্ৰেৰণাৰ বাঁতি
নৱালোক দূতী।..." (জয়মতীৰ আত্মাৰ উক্তি)

সত্য আৰু সুন্দৰৰ পূজাৰী জ্যোতিৰ দৃষ্টিত সদায়ে ফুলি আছিল আশাৰ পদুম, চিন্তাত আছিল শাশ্বত আলো আৰু আত্মাত আছিল অনিৰ্বচনীয় সুন্দৰতা। সুন্দৰৰ সাধনাই জীৱনৰ পণ জ্ঞান কৰা জ্যোতিপ্ৰসাদে সকলো লোককে শিল্প-সাহিত্যৰ মাজেৰে সুন্দৰৰ আৰাধনা কৰিবলৈ আহ্বান জনাইছে। পৃথিৱীৰ আটাইতকৈ সুন্দৰ বস্তু শিশুসকলৰ আত্মাৰ উন্নতিৰ বাবে শিশুমনৰ আৱেগ অনুসন্ধিৎসু উৎকন্ঠা আদিৰ পৰিমিত ৰূপত চৰিতাৰ্থ হোৱাত তেওঁ জোৰ দিছিল। কল্পনাবিলাসী শিশুসকলৰ আত্মাৰ তৃপ্তিৰ বাবে তেওঁ 'কুম্পুৰ সপোন', 'অকণমানি ল'ৰা', 'অকণমানি ছোৱালী', 'ফুলকুঁৱৰী' আদি মনোৰম শিশু-কবিতা ৰচনা কৰিছিল। শিশু, আবাল-বৃদ্ধ-বণিতা সকলোৰে আত্মাত শিল্পী-প্ৰাণৰ উত্থান হওক বুলি তেওঁ প্ৰাৰ্থনা। আসুৰিক স্বভাৱ, নিষ্ঠুৰ বাসনা, তামসী তৃষা, পৈশাচী কল্পনা, নিৰাশাৰ আন্ধাৰ আদি বীভৎস শক্তিৰ পৰা মানুহৰ আত্মাক বচাই ৰাখিবলৈ শিল্প-সাহিত্য আৰু সংগীতৰ চৰ্চাক তেওঁ উপায় হিচাপে আগবঢ়াই দিছে। যথা—

"হে মোৰ আলোক-পূজাৰী প্ৰাণ!
আজি সুন্দৰৰ পূজা-থাপনাত
যাচিবি কিহৰে ষোড়শোপচাৰ,

গাবি কি ৰাগ, কি সুৰেৰেনো
পুৰা সন্ধিয়াৰ গান?...
... ... ...

বোকাত জনমা মানুহে আজি
আলোকলে’ উঠি আহে
বেলিমুৰা হৈ হাঁহে।
... ... ...

আজি জনতাৰ আলোকবিজয়ী
অপূৰ্ব অভিযান
আজি পৃথিৱীৰ আকাশে আকাশে
জনতাৰ আহ্বান
নৱজীৱনৰ মহাসংঘাতে কঁপায় বৰ্ত্তমান।
আজি সাৰ্থক হ’ক বেদত ধ্বনিত হোৱা
আলোকৰ আগমনি মন্ত্ৰ
প্ৰবুদ্ধ জনতা জয়... জয় জনতন্ত্ৰ
জয় স্বতন্ত্ৰ... জয়– আলোক-মন্ত্ৰপূত
মহামানৱতন্ত্ৰ...” (জনতাৰ আহ্বান)

সি যি নহওক, অসমৰ শ্ৰেষ্ঠ কবিসকলৰ শাৰীতে জ্যোতিপ্ৰসাদৰ বাবেও এখন সন্মানজনক আসন সংৰক্ষিত হৈ আছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ সকলোবোৰ কবিতাই তীব্ৰ প্ৰাণ-সঞ্চাৰক আৰু আবৃত্তিৰ উপযোগী। তেওঁৰ কবিতাৰ প্ৰতিটো নিৰ্বাচিত শব্দই পাঠক-শ্ৰোতাৰ ষষ্ঠ ইন্দ্ৰিয়ত তীব্ৰ জোঁকাৰণিৰ সৃষ্টি কৰে। কবিতাৰ ভাববস্তুৱে পাঠকৰ ৰক্ত সঞ্চালন ক্ষিপ্ৰ কৰি তোলে। ইয়াৰ কাৰণ হ’ল তেওঁৰ সকলোবোৰ কবিতাই ৰচিত হৈছিল ঔপনিৱেশিক শোষণ-দমনৰ পৰিৱেশৰ মাজত। আৰু কবিতাখিনিৰ ৰচনাৰ মূল উদ্দেশ্যও আছিল নিদ্ৰাৰত জনতাক জাগ্ৰত কৰি তোলা। সৰহভাগ কবিতাই যথেষ্ট দীঘল যদিও ওজস্বী শব্দ-বিন্যাস, গভীৰ ভাব কিন্তু সহজ প্ৰকাশ, পৰিশীলিত ছন্দ আৰু লয়ৰ সমাহাৰেৰে সমৃদ্ধ। সেয়ে কবিতাবোৰ বাৰে বাৰে পঢ়িলেও পাঠকে আমনি নাপায়। আজি জাতি-জনগোষ্ঠীৰ মাজত যি অসূয়া-অপ্ৰীতি বাঢ়িব লাগিছে সেই দিশেৰেও জ্যোতিপ্ৰসাদৰ কবিতা প্ৰাসংগিক হৈ পৰিছে। জ্যোতিপ্ৰসাদৰ জাতিপ্ৰেমৰ আদৰ্শ আৰু কলা-সাহিত্যৰ বিস্তৃত চৰ্চাৰে অসমীয়া জাতিয়ে পুনৰ নিজক শক্তিশালী কৰি ল’ব পাৰে।+

প্ৰসংগ পুথি–
*জ্যোতিপ্ৰসাদৰ ৰচনাৱলী*, সম্পাদনা: ড° হীৰেন গোহাঁই, অসম প্ৰকাশন পৰিষদ